## ৩.৪.২ নাটখনিৰ বিষয়বস্তু

মহাপুৰুষ মাধৱদেৱৰ সাহিত্যিক জীৱন গঢ় লৈ উঠিছিল তেওঁৰ গুৰু মহাপুৰুষ মাধৱদেৱৰ সাহিত্যিক জীৱনৰ আৰ্হিত। নব-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ আহিলা স্বৰূপে গুৰুৰ আদৰ্শৰেই তেওঁ গীত-পদ, নাট আদি ৰচনা কৰিছিল। সৰ্বমুঠ নখন নাট মাধৱদেৱৰ নামত পোৱা যায় যদিও সত্ৰ সমাজৰ 'বাৰ নাট' বুলি কোৱা কথালৈ লক্ষ্য ৰাখি মাধৱদেৱে ছখন নাট ৰচনা কৰা বুলি সকলোৱে মানি লয়। বাকী তিনিখন নাট প্ৰকৃততে মাধৱদেৱৰ হয় নে নহয় সেই বিষয়ে নানা আলোচনা হৈ আহিছে। সেইবাবে অৰ্জুন ভঞ্জনকে ধৰি চোৰধৰা, পিম্পৰা গুচোৱা, ভূমি লেটোৱা, ভোজন বিহাৰ আৰু ব্ৰহ্মামোহন— এই ছখনকে মাধৱদেৱৰ দ্বাৰা ৰচিত নাট বুলি মতপোষণ কৰা হৈছে। মাধৱদেৱৰ ৰচিত নাটৰ ভিতৰত অৰ্জুন-ভঞ্জন নাটখনেই প্ৰথম আৰু পূৰ্ণাংগ নাট। এইখন নাটত এটা স্বয়ং সম্পূৰ্ণ কাহিনী উপস্থাপন কৰা হৈছে। বাকী নাট কেইখনত একোটা পূৰ্ণ ঘটনাৰ পৰিবৰ্তে একো একোটা ক্ষুদ্ৰ বা খণ্ড কথাবস্তুকে বিষয়বস্তু ৰূপে নিৰ্বাচন কৰা হেতুকে সেই নাটকেইখনৰ ক্ষেত্ৰত ঝুমুৰা শব্দটো ব্যৱহাৰ কৰা হৈছে। নৃত্য গীতেৰে পূৰ্ণ একোটা নাটকীয় পৰিস্থিতিহে এই ঝুমুৰাসমূহত পোৱা যায়। দৰাচলতে ঝুমুৰা সমূহ মাধৱদেৱৰ কলাত্মক সৃজনী প্ৰতিভাৰ অপূৰ্ব নিদৰ্শন।

অৰ্জুন-ভঞ্জন মহাপুৰুষ মাধৱদেৱৰ অসামান্য প্ৰতিভাৰ এক উজ্বল নিদৰ্শন। ভাগৱতৰ দশম স্কন্ধৰ নৱমৰ পৰা একাদশ অধ্যায়, হৰিবংশৰ ৬৩তম অধ্যায় আৰু বিল্বমংগল বা লীলাশুকৰ কৃষ্ণকৰ্ণামৃতৰ শ্লোকৰ আধাৰত অৰ্জুন-ভঞ্জন নাটৰ বিষয়বস্তু প্ৰস্তুত কৰা হৈছে। নাটখনিত মাধৱদেৱৰ মৌলিক প্ৰতিভাৰ স্বাক্ষৰো সুন্দৰভাৱে প্ৰকাশ পাইছে। অৰ্জুন-ভঞ্জন নাটখনিক দৈত্যাৰি ঠাকুৰে ৰচনা কৰা চৰিত পুথিত (পদ সংখ্যা ১২৮৬) দধি মথন ঝুমুৰা বুলি মাথোন উল্লেখ কৰিছে।

কুবেৰৰ দুই পুত্ৰ নলকুবেৰ আৰু মণিগ্ৰীৱক নাৰদৰ অভিশাপৰ পৰা মুক্ত কৰি যমলাৰ্জুন ভংগৰ জৰিয়তে কৃষ্ণৰ ঐশ্বৰিক ৰূপ প্ৰকাশ কৰাটোৱেই অৰ্জুন-ভঞ্জন নাটৰ মূল বিষয়বস্তু। শংকৰদেৱৰ জীৱিত অৱস্থাত ১৫৪৫ ৰ পৰা ১৫৫০ ৰ মাজৰ কালছোৱাত

গণককুছিত থাকোতে মাধৱদেৱে অর্জুন-ভঞ্জন নাটখন ৰচনা কৰিছিল বুলি অনুমান কৰিব পাৰি। লক্ষ্মীনাথ বেজবৰুৱাৰ মতে মাধৱদেৱৰ অর্জুন-ভঞ্জন ভাওনাত শংকৰদেৱে নন্দৰ আৰু মাধৱদেৱে উপনন্দৰ ভাও লৈছিল। এই কথা সঁচা হ'লে শংকৰদেৱৰ জীৱিত অৱস্থাত যে নাটখনি ৰচনা কৰা হৈছিল তাক স্বীকাৰ কৰিব লাগিব। অর্জুন-ভঞ্জনৰ গাঁথনিও শংকৰদেৱৰ পূর্ণাঙ্গ নাট কেইখনৰ লগত যথেষ্ট মিলে। এইটো অনুমান কৰিব পাৰি যে গুৰুজনাৰ জীৱন কালত মাধৱদেৱে তেৰাই দেখুওৱা পথৰ পৰা আঁতৰি যাবলৈ ইচ্ছা নকৰিলে। নাট্যকাৰে মূলত নথকা স্বত্বেও নিজস্ব কলা-কৌশলেৰে নাটকীয় কাহিনীভাগ তিনিটা স্তৰৰ মাজেৰে আগবঢ়াই নিছে। সেই স্তৰ তিনিটা হ'ল—

- শিশু কৃষ্ণ আৰু মাতৃ যশোদাৰ মাজত হোৱা স্নেহসিক্ত বিৰোধ
- যমলার্জুন ভংগ
- নন্দ আৰু যশোদাৰ দাম্পত্য কলহ।

অর্জুন-ভঞ্জনক কেন্দ্ৰ কৰি নাটকীয় বিষয়বস্তুৱে গতি লাভ কৰিছে যদিও নাটৰ আৰম্ভণিতে স্তনপান কৰিবলৈ নাপাই কৃষ্ণই কৰা বোহ, অভিমান, মাকৰ দ্বাৰা কৃষ্ণক শাসন আৰু সমাপ্তিত নন্দ-যশোদাৰ পাৰিবাৰিক কলহৰ দ্বাৰা নাটখন অধিক আকৰ্ষণীয় হৈ উঠিছে।

মহাপুৰুষ মাধৱদেৱে শ্ৰীকৃষ্ণৰ বর্ণনা বিষয়ক শ্লোকেৰে কৃষ্ণৰ প্ৰতি নমস্কাৰ জনাই অর্জুন-ভঞ্জন নাটখনি আৰম্ভ কৰিছে। নাটখনিৰ বিষয়বস্তু আৰম্ভ হৈছে নন্দৰজাৰ ৰাণী যশোদাৰ দধিমথন কার্যৰে। এদিনাখন যশোদাই ঘৰৰ কাম কৰা গোপীসকলে দধিমথা কার্যত অসন্তুষ্ট হৈ নিজেই দধি মথিবলৈ ল'লে। নাট্যকাৰে ৰূপ দিয়া এগৰাকী সুগৃহিণী যশোদাই অন্য দাসীসকলে দধি মথিলে বেছি লৱণু নাপাই বাবে নিজেই মথনী দণ্ড লৈ দধি মথাত লাগিল। সেইদিনা গোপীসকলক ঘৰৰ আন কামত লগাই দি তেওঁ দধি মথনত বেছি লৱণু পালে তেওঁলোকক শাস্তি দিব বুলি সাৱধান বাণীও শুনালে। গোপীসকলক তেনেদৰে কৈ দিব্যবস্ত্ৰ পৰিধান কৰি, মালতী আদি নানান পুষ্প খোপাত গুজি, নতুন কাপোৰ গাত মেৰিয়াই, চকুত কাজল সানি, কর্পূৰ তামোল খাই দধি মথন কার্য আৰম্ভ কৰিলে।

যশোদাই দধি মথন কৰি থকা সময়ত শিশু কৃষ্ণ ওচৰতে ওমলি আছিল। নিজৰ কৰ্মত ব্যস্ত থকা স্বত্বেও ওচৰতে ওমলি থকা 'প্ৰাণৰ পুতুলি' কৃষ্ণৰ গুণ গান গাই তেওঁক স্মৰণ কৰিবলৈ যশোদাই পাহৰা নাছিল। কৃষ্ণৰ নির্মল, সুকোমল মুখমণ্ডল দেখি আপোন পাহৰা হৈ তেওঁৰ গুণ গান বর্ণনা কৰিছে— 'হে বাপু কৃষ্ণ, তুহো হামাৰি কোটি পুৰুষক পৰম দেৱতা, মাথাক মুকুট, শিৰৰ ভূষণ, গলাৰ সাতসৰী, কর্ণৰ কুণ্ডল, কৰৰ কংকণ। আহে বাপু, তোহাৰি অৰুণ অধৰক বালাই লএল। মধুৰ হাস্যে বহয়া যাএল; বাতুল চৰণক হুয়া মৰিয়া যাএল।" কৃষ্ণয়ো মাকৰ মুখত নিজৰ গুণৰ বর্ণনা শুনি নিজৰ মহিমা প্ৰকাশৰ কথা ভাবিলে আৰু ভক্তা গোপীসকলৰ বিপদৰ কথা ভাবি মনতে গুণিলে— "হামু পৰম ঈশ্বৰ লক্ষ্মীক নায়ক। ইহাৰি গৃহে ভকতিক বশ্য হুয়া

ৰহেছি। হামু জীৱক পৰম দুৰ্লভ। ইহাৰি গৃহে হামাকু পাই মনৰ পূৰণ নাহি ভেল। বক্সক বাঞ্চা নাহি টুটত। হামাৰ ভকতা গোপীসৱক কোপ কৰিয়ে লৱণু অধিক কৰিয়ে গোপীসৱক দণ্ড কৰিতে অতয়ে শ্ৰম কৰিতে লাগল। ইহাঙ্ক আজু লৱণু তুলিতে নাহি দেৱব।" গতিকে তেওঁ মাকৰ মথনি দণ্ডত ধৰি মাকক আমনি কৰিবলৈ ধৰিলে আৰু স্তনপান কৰিব বিচাৰিলে। যশোদায়ো পুত্ৰৰ আকোঁৰ গোঁজ মনোভাব দেখি পুত্ৰস্নেহত তেওঁক স্তনপান কৰাবলৈ ধৰিলে। ইফালে আথাত তুলি থোৱা গাখীৰ উতলি পৰিব ধৰা বুলি এগৰাকী গোপীয়ে যশোদাক জনালে। যশোদাই গাখীৰ নমাবলৈ বুলি কৃষ্ণক কোলাৰ পৰা নমাব খোজে কিন্তু কৃষ্ণই মাকক এৰি নিদিয়ে। মাকে খঙতে কৃষ্ণক কোলাৰ পৰা নমাই মাটিত থেকেচা মাৰি থৈ গাখীৰ নমাবলৈ যায়। তাকে দেখি সাধাৰণ মনৱ শিশুৰ দৰে কৃষ্ণৰো খং উঠিল। তেওঁ তেওঁৰ মহিমা দেখুৱাবলৈ প্ৰস্তুত হ'ল। মহাপুৰুষ মাধৱদেৱে কৃষ্ণৰ চৰিত্ৰৰ মাজেৰে সাধাৰণ মানৱ শিশুৰ ছবি অংকন কৰিলেও তেওঁ যে স্বয়ং ভগৱান সেই কথা কৃষ্ণৰ বচনৰ মাজেৰে প্ৰকাশ কৰিছে এনেদৰে— "হামু কোটি কোটি ব্ৰহ্মাণ্ডক নায়ক। ব্ৰহ্মাদিদেৱক পৰম দেৱতা। হামাকু মহা মহা যজ্ঞে সন্তোষ কৰাইতে নাহি পাৰত। সে হামু নিজ গুণে ভকতক বশ্য হুয়া, ভকতসবে শ্ৰদ্ধায়ে যে বস্তু হামাক দান কৰত তাহেক হামু পৰম সন্তোষে হামাৰ উদৰবৰ্তী ব্ৰহ্মাণ্ডসৱক শুদ্ধ বস্তুৱে পবিত্ৰ হোক বুলিয়ে ভোজন কৰোহোঁ। দেখু, সে আমাক ওহি সাহঙ্কাৰী নিদাৰুণী গোৱাৰী সামান্য শিশু বুলিয়ে তনপান ছোড়ায়া মাটিত আছাড়ি পেলাই খীৰ ৰাখিতে গেল। হামাতো কৰিয়ে কড়া দুইক খীৰ অধিক মানল। তাহেক হানি হইতে গাৱ নাহি সহল! পেখো আজু হামো হানি কৰিতে পাৰো কি নাহি পাৰো তাহেক পেখোক।"

মাকে মাটিত থেকেচা মাৰি থৈ যোৱা বাবে সাধাৰণ শিশুৰ দৰে তেওঁ পটা গুটিৰে দধি ভাণ্ড ভাঙিছে, লৱণু দণ্ড ভাঙিছে, দধিবোৰ সিঁচৰতি কৰি পেলাইছে, লৱণু-দধি নিজে খাইছে আৰু বান্দৰকো খুৱাইছে। যশোদাই গাখীৰ নমাই থৈ আহি দেখে যে কৃষ্ণই সকলোবোৰ লণ্ডভণ্ড কৰি পেলাইছে। যশোদাক দেখি কৃষ্ণই লৰ মাৰিলে। যশোদায়ো কৃষ্ণক এশিকনি দিবলৈ এচাৰি এডাল লৈ পিছে পিছে খেদি গ'ল। কৃষ্ণৰ পিছে পিছে দৌৰি মাক যশোদা ভাগৰি পৰিল। পিছত যেনিবা জননীৰ দুখ দেখি কৃষ্ণই নিজেই ধৰা দিলে। সূত্ৰধাৰে এই কথাখিনি বৰ্ণইছে— "তদন্তৰ শ্ৰীকৃষ্ণ মনুষ ভাৱ দেখায়া পলাইতে যেন নাহি পাৰিয়ে মাৰক ভয়ে হাতে আখি ঢাকিয়ে কান্দিতে ৰহল।" কৃষ্ণক ধৰি আনি যশোদাই তেওঁক বান্ধিবলৈ জৰী আনিলে। শিশু কৃষ্ণই সেই সময়তে "নিজ যোগমায়া বেকত কৰল।" যশোদাই যিমানেই জৰী আনি কৃষ্ণক বান্ধিবলৈ লৈছে সিমানেই দুই আঙুল জৰীয়ে বান্ধিবলৈ নটা হৈছে। বাৰে বাৰে দুই আঙুল জৰী কম হোৱা বাবে কৃষ্ণক বান্ধিবলৈ অপাৰগ হৈ যশোদা ভাগৰি পৰিল। অৱশেষত ভক্তা জননীক সন্তুষ্ট কৰিবলৈ কৃষ্ণই নিজে বন্ধন লয়। যশোদাৰ এনে কাৰ্যত ৰোহিনী প্ৰমুখ্যে গোপিনীসকলে নানা প্ৰকাৰে বাধা প্ৰদান কৰে। ৰোহিনীয়ে কৃষ্ণৰ মহিমাৰ কথাও

যশোদাক এইদৰে সোঁৱৰালে— "ওহি মনুষ্য বালক নহি; প্ৰভাব দেখিয়ে হামু জানল, ওহি জগতক কাৰণ নাৰায়ণ।" কিন্তু যশোদা নিজৰ কাৰ্যত অটল। তেওঁ গোপিনীসকলক কৃষ্ণক মোকলাই নিদিবলৈ সতৰ্ক কৰি দিলে আৰু কৃষ্ণক এটা উৰলত বান্ধি থৈ নিজৰ কামলৈ গ'ল। এইখিনিতে অৰ্জুন-ভঞ্জন নাটৰ প্ৰথম স্তৰৰ অন্ত পৰিছে। শিশু কৃষ্ণ আৰু মাতৃ যশোদাৰ স্নেহাসিক্ত বিৰোধৰ মাজেৰে কলা-কুশলী নাট্যকাৰ মাধৱদেৱে এহাতে কৃষ্ণৰ মানৱীয় শিশু ৰূপ আনহাতে তেওঁৰ ঐশ্বৰিক ৰূপৰ সুন্দৰ সমন্বয় সাধন কৰিছে।

অৰ্জুন-ভঞ্জন নাটৰ দ্বিতীয় স্তৰ আৰম্ভ হৈছে যমলাৰ্জুন ভংগৰ মাজেৰে। নাটখনিৰ এই স্তৰটোৱেই হ'ল কাহিনীৰ কেন্দ্ৰবিন্দু। নাৰদৰ শাপত কুবেৰৰ দুই পুত্ৰ নলকুবেৰ আৰু মণিগ্ৰীৱই এজোপা যমলাৰ্জুন বৃক্ষ ৰূপে নন্দৰ পদুলিত ঠাই পাইছিল। নাৰদৰ বৰদান ৰূপে দুয়ো কুবেৰ পুত্ৰই কৃষ্ণৰ স্পৰ্শতহে পুনৰ জীৱন লাভ কৰিব। কুবেৰ পুত্ৰদ্বয়ে কৃষ্ণক মুক্তি লাভৰ বাবে স্মৰণ কৰিছে। কৃষ্ণয়ো দুয়োকে মুক্তিদান দিবৰ বাবে পৰিবেশ সজাই লৈছে। নাট্যকাৰে অতি কৌশলেৰে কৃষ্ণৰ মহিমা তেওঁৰ নিজ মুখেৰেই ব্যক্ত কৰিছে — "দেখো আজু হামু ভকতক হাতে আপোন বন্দী হুয়াকহু বন্ধ সংসাৰ বন্ধ ছোড়ন কৰব। তেওঁ আকৌ কৈছে— 'ইহা জানি সৱলোক হামাক পৰম ঈশ্বৰ মানি ভকতি কয়কহু সংসাৰ ঘোৰ নিকাৰ তৰব।"

শাপগ্ৰস্ত কুবেৰৰ দুই পুত্ৰক বন্ধন মুক্ত কৰাৰ মানসেৰে কৃষ্ণই মাকে বান্ধি থোৱা উৰলৰ সৈতে চুচৰি গছজোপাৰ মাজেৰে পাৰ হ'বলৈ চেষ্টা কৰিলে। কৃষ্ণই আঠুকাঢ়ি 'কংকাল ফান্দিয়ে' টান দিওতে দুই বৃক্ষ উভালি পৰিল। গছজোপাৰ পৰা দুই দেৱতাই দিব্য ৰূপ ধাৰণ কৰি "জয় জয় কৃষ্ণ বোলি দণ্ডৱতে বাৰম্বাৰ পৰনাম" কৰি হাতযোৰ কৰি নম্ৰভাৱে স্তুতি কৰিলে আৰু কৃষ্ণৰ আদেশ মতে নিজ স্থানলৈ গমন কৰিলে। শিশু কৃষ্ণৰ ভগৱানৰ স্বৰূপ এই স্তৰটোৱেই সুন্দৰভাৱে প্ৰকাশ পাইছে। কৃষ্ণক বন্ধন কৰিয়ে ভক্তিৰ শ্ৰেষ্ঠত্ব নিৰূপণ কৰিছে। ভগৱৎ প্ৰেমে ঈশ্বৰৰ বন্ধন আৰু জীৱৰ মুক্তি সূচনা কৰে। এই বন্ধন আৰু মুক্তিয়েই অৰ্জুন-ভঞ্জন নাটৰ মূল প্ৰতিপাদ্য বিষয়। ইয়াতেনাটকীয় কাহিনীৰ দ্বিতীয় স্তৰটোৰ অন্ত পৰিছে।

নাটখনিৰ তৃতীয় স্তৰ আৰম্ভ হৈছে নন্দ-যশোদাৰ দাম্পত্য কলহৰ মাজেৰে। মূলত নথকা এই অংশটো নাট্যকাৰে হাস্যৰস তথা কৃষ্ণৰ মহিমা প্ৰকাশৰ বাবেই ৰচনা কৰিছে। গছ উভালি পৰাৰ প্ৰচণ্ড শব্দ শুনি গোপসকলৰ সৈতে নন্দ সেই ঠাইত উপস্থিত হয়। বাগৰি পৰা অৰ্জুন গছজোপা দেখি তেওঁলোক চিন্তিত হৈ পৰে। গোৱালসকলে আশ্চৰ্য প্ৰকাশ কৰিলে— "ওহি কি অদভুত, বাত নাহি, বৃতি নাহি, নিৰ্ঘাত বজ্ৰপাত নাহি, হস্তীসৱক বিক্ৰান্ত দোষ নাহি, অতয়ে বালক বৃক্ষ কৈচন উভৰি পৰল?" তাৰ মাজতে শিশু কৃষ্ণক উৰলৰ সৈতে পথালিকৈ লাগি ধৰা দেখি নন্দ ৰজাই আথে-বেথে পুত্ৰক কোলাত তুলি ল'লে। মৰমৰ পুত্ৰক যশোদাই তেনেদৰে বান্ধি থৈ শাস্তি দিয়া বুলি জানি তেওঁ যশোদাক নানান ধৰণে তিৰস্কাৰ কৰিব ধৰিলে। মাণিক পুতলী কৃষ্ণক

গৰুৰ পঘাৰে উৰলত বন্ধা বাবে নন্দই যশোদাক কটু ভাষাৰে গালি গালাজ কৰিলে। ক'ত তপস্যাৰ ফলত তেওঁ কৃষ্ণক পুত্ৰ ৰূপে পাইছে— "হামু কত তপ কৰিয়ে দেৱক বৰে বৃদ্ধ বয়সত কৃষ্ণক পুত্ৰ পাৱল।" তেনে হেন প্ৰাণৰ পুত্ৰ কৃষ্ণক গৰুৰ পঘাৰে বান্ধি শাস্তি দিয়া বাবে যশোদাক তেওঁ "তুহু কি নিমিত্তে মানুষী ভেলি। ৰাক্ষসতো দিক!" বুলি গালি শপনি পাৰিছে।

যশোদাও মনে মনে থকা বিধৰ তিৰোতা নহয়। নাট্যকাৰে নন্দৰাণী যশোদাক এগৰাকী সাধাৰণ গাৱলীয়া মুখৰা তিৰোতা হিচাপে অংকন কৰিছে। নন্দই পৰা গালিৰ প্ৰত্যুত্তৰত তেৰো নন্দক কটু কথা শুনাই নন্দৰ মুখ বন্ধ কৰিলে। ইয়াতেই অৰ্জুন-ভঞ্জন নাটৰ সামৰণি পৰিছে। মূল যমলাৰ্জুন ভংগৰ লগত সংগতি ৰাখি নাট্যকাৰ মাধৱদেৱে যশোদাৰ দধি মথন কাৰ্য আৰু কৃষ্ণৰ সৈতে মাতৃস্নেহৰ চিত্ৰ, শেষত নন্দ-যশোদাৰ পাৰিবাৰিক কলহ আদিৰ মাজেৰে নাটকীয় কাহিনীৰ সামৰণি মাৰিছে। সাধাৰণ মানৱ শিশুৰ মাজত থকাৰ দৰে শিশু কৃষ্ণৰ ঠেহ-ভেম, ভয়, উদ্ধতালি, চতুৰালি আদি নিখুঁত চিত্ৰণৰ মাজেৰে ভগৱানৰ ঐশ্বৰিক মহিমা প্ৰকাশ কৰাত নাট্যকাৰে সফলতা লাভ কৰিছে। নাটখনিৰ সকলো স্তৰতে নাট্যকাৰে দৰ্শক-পাঠকক কৃষ্ণ ভক্তিৰ প্ৰতি আবেদন জনাইছে।

আপুনি নিশ্চয় জানে যে অংকীয়া নাটসমূহ নৃত্য-গীতপ্ৰধান হোৱা হেতুকে তাত সংলাপৰ স্থান কম। অৰ্জুন-ভঞ্জন নাটতো সূত্ৰধাৰৰ কথাৰ মাজেৰে নাটৰ কাহিনী, চৰিত্ৰ আৰু অৱস্থাৰ কথা প্ৰকাশ কৰা হয়।

শংকৰদেৱৰ নাটত ব্ৰজাৱলী ভাষা ব্যৱহাৰ কৰাৰ দৰে মাধৱদেৱৰ নাটসমূহক ব্ৰজাৱলী ভাষা প্ৰয়োগ কৰা দেখা যায়। কিন্তু অৰ্জুন-ভঞ্জন বা তেওঁৰ আন ঝুমুৰাসমূহত ব্যৱহাৰ কৰা ভাষা ব্ৰজাৱলী ভাষাসমূহতকৈ কথিত ভাষাৰ বেছি ওচৰ চপা। নাটৰ মাজে মাজে গ্ৰাম্য ভাষা ব্যৱহাৰ কৰা বাবে তেওঁৰ নাট-ঝুমুৰাসমূহ বেছি বাস্তৱ গুণসম্পন্ন হৈ পৰিছে। অৰ্জুন-ভঞ্জন নাটত নন্দ-যশোদাৰ মাজত হোৱা পাৰিবাৰিক কলহৰ মাজেৰে যি সাধাৰণ গ্ৰাম্য কথিত ভাষা প্ৰয়োগ কৰা হৈছে, তাৰ দ্বাৰা সাধাৰণ শ্ৰেণীৰ লোকক অধিক আকৰ্ষণ কৰিব পাৰিছে। উদাহৰণ স্বৰূপে—

> আহে নাগিনী, তোহাক বস্তুৱে নাটল? কোন ছাৰ কলস ভাঙ্গল। হামাৰ ঘৰে দধি-লৱণু কে পুছত? নদী বহাইতে পাৰো, তাহেক নিমিত্তে কৃষ্ণক অতয়ে শাস্তি কয়লি?

আৰু—

> আহে বুঢ়িয়া, তোহাক কে পুছত? ছিঃ হামাক মাৰিতে আৱল। হামাক চটু বুলিতে জনম যায়, আজু ৰাগ চৰল। ছিঃ, ঘিনেসে ওপজে। হামু কথা কহিতে জানো, সৱলোকে হামাক মন্দ বুলিবে।

নাটখনিত সৰ্বমুঠ সাতোটা শ্লোক আছে। গীতৰ সংখ্যা আঠটা। গীতবোৰত

ক্রমে সিন্ধুৰা, বৰাড়ি, গৌৰী, কামোদ, কানাড়া, বেলোবাৰ, তুড়, ভাটিয়ালি আৰু কল্যাণ আদি ৰাগৰ কথা উল্লেখ আছে। শিশু কৃষ্ণৰ প্ৰতি যশোদা, নন্দ আৰু অন্যান্য গোপ-গোপিনীসকলৰ বাৎসল্য প্ৰেমৰ মাজেৰে ভক্তিৰসৰ প্ৰকাশ পাইছে।

কৃষ্ণভক্ত মাধৱদেৱে বালক কৃষ্ণৰ চল-চাতুৰিৰ মাজেৰে তেওঁৰ ঐশ্বৰ্যিকতা প্ৰকাশ কৰি অৰ্জুন-ভঞ্জন নাট ৰচনা কৰিছে। কাহিনী উপস্থাপন, চৰিত্ৰ চিত্ৰন আৰু ভক্তিধৰ্ম প্ৰচাৰ— এই আটাইৰে সংমিশ্ৰণ অৰ্জুন-ভঞ্জন নাট মাধৱদেৱৰ এক মহৎ সৃষ্টি হিচাপে পৰিগণিত হৈছে।